# বে'থ'ফেন

সংহত তিনিটা ধ্বনিৰ মৃদু উত্থান আৰু পতন, প্ৰধানতঃ দুখ আছে, এই সংগীতে যেন কৈছে, কিন্তু আনন্দৰ ব্যগ্ৰ অন্বেষণো আছে, থাকি-থাকি উচ্ছ্বসিত হৈ চাৰিটা সুৰৰ এই আনন্দ-ঝৰ্ণা, দুৰ্দৈৱ আৰু অদৃষ্টৰ অন্ধ অন্যায় আছে, কিন্তু মুক্তিৰ সংগ্ৰামো আছে, অবিচলিত সুৰ-সোপানৰ সুদৃঢ় আৰোহণ, প্ৰচেষ্টাৰ শেষত বিজয়ৰ অৱশ্যম্ভাবী ভেৰী-নিনাদ—বা হয়তো বিজয় আৰু উল্লাস আৰু তিমান সুনিশ্চিত নহয়, সুৰ-সোপান এতিয়াও সুদৃঢ় আৰু অবিচলিত, কিন্তু অবৰোহী, দমিত, কিয়নো অদৃষ্ট নিৰ্মম, যুক্তিহীন—

বাজনাৰ শেষ মূৰ্ছনা মাৰ গ'ল, সঙ্গীতজ্ঞ বন্ধুৱে ক'লে, “কোৰা।”

“প্ৰধানতঃ দুখ আছে”, ক'ৰবাত শুনা বাক্য এটা উদ্ধৃত কৰি মই ক'লোঁ, “কিন্তু সেই দুখ ভেদ কৰি আনন্দৰ ইঙ্গিতো আছে” “সুখৰ সন্ধান—?”

“সংগীত-সমালোচকে কৈছে, এয়া জীৱনৰ সাৰ্বজনীন পৰিস্থিতি, এয়া তাৰ সাংগীতিক অভিব্যক্তি। তেওঁ সংগীতত ৰূপায়িত কৰিলে তোমাৰ-মোৰ হৃদয় জ্বালা আৰু তোমাৰ-মোৰ হাঁহি। অন্যায় আছে, অবিচাৰ আছে, অকাৰণ দুৰ্ভাগ্য, যুক্তিহীন কষ্ট, কিন্তু, অ, জীৱন আছে, যৌৱন আছে অবিচল কঠোৰ প্ৰচেষ্টা আছে, উঠিব লাগিব, উঠিব লাগিব, অদৃষ্টক উলংঘা কৰি বীৰত্বৰ মৰ্যাদালৈ উঠিব লাগিব—”

“প্ৰধানতঃ, প্ৰাণশক্তি?”

“ঠিক। প্ৰাণশক্তি। কল্পনা কৰা তেনেহ'লে, ভিয়েনাৰ ৰাস্তাত তৰুণ সংগীতজ্ঞ, বাইছ বছৰ বয়স, ওঠৰ শতিকাৰ চৌখিন ঝলমল পৰিচ্ছন্ন পোছাক, 'লে'ছ্' দিয়া চোলা, সু-বিন্যস্ত কেশ, লাস্যময় সবল দেহ, সংবেদী সাগ্ৰহ মুখ, সুদীপ্ত বিশ্বাস ভৰা চকু। আহিছে জন্মস্থান বন চহৰৰপৰা, ইতিমধ্যেই এবাৰ ভিয়েনালৈ আহি গৈছে, ইতিমধ্যেই মৎচাৰ্টক লগ পাইছে, তেওঁৰপৰা সংগীত শিকাৰ সৌভাগ্য ঘটিছে, হাইড্‌ন্ আৰু চালিয়াৰীৰপৰা সংগীত শিকিছে, ইতিমধ্যেই তেওঁ কৃতী পিয়ান'বাদক, ইতিমধ্যেই তেওঁৰ প্ৰথম চিম্ফনীটো প্ৰচাৰ হৈ তেওঁলৈ আনিছে প্ৰশংসা আৰু খ্যাতি—কিন্তু বন্ এখন সৰু চহৰ, এখন গুৰুত্বহীন চহৰ। জয় কৰিব লাগিব সংগীত-জগতৰ প্ৰাণকেন্দ্ৰ ভিয়েনা, জয় কৰিব লাগিব বিশ্ব, তেওঁৰ অন্তৰত উদ্দাম উচ্চ অভিলাষ, স্ফুৰ্তিৱান আৰু স্ফুৰ্তিপ্ৰিয় আৰু কিছু অহংকাৰ আৰু কিছু অহমিকা, তেওঁৰ সমগ্ৰ দেহে-মনে প্ৰচণ্ড শক্তিৰ অনুভূতি। লাগে খ্যাতি, যশ, সন্মান, অৰ্থ, খিতাপ, গৌৰৱ, ৰজা-ৰাণী-ডিউক-কাউণ্টৰ লগত চলা-ফিৰা, আৰু—কমনীয় নাৰী, প্ৰেম, সুখৰ গাৰ্হস্থ্য জীৱন। নতুন-নতুন সুৰধ্বনি, অভূতপূৰ্ব লয়, অশ্ৰুতপূৰ্ব হাৰ্মনি—সকলো ঈশ্বৰৰ দান, পৃথিৱীৰ কৌটি-কৌটি মানুহৰ মাজত মাথোঁ তেওঁকেই বাছি-বাছি ঈশ্বৰে দিছে কালোত্তৰ সৃষ্টিপ্ৰতিভা, যি সুৰৰ উঠা-নমাত তোমাৰ ৰক্তপ্ৰৱাহ দ্ৰুততৰ হ'ব, তুমি শুনিবা অনন্তৰ ভাষা আৰু তুমি পাবা বিশ্বপ্ৰকৃতিৰ আনন্দ আভাস, তোমাৰ নিজৰ ভিতৰত তুমি লীণ যাবা। ভিয়েনা মোৰ, পৃথিৱী মোৰ, মই যিহকে বিচাৰোঁ মোৰ, মই যাকে বিচাৰোঁ, মোৰ! মোৰ!

— কিন্তু এয়া কি? এয়া কি? তুমি কৈছা, দূৰত ভেৰাৰখীয়াই গান গাইছে? দূৰত কোনোবাই বাঁহী বজাইছে? কিন্তু মই শুনা নাই কিয়? মোৰ কাণত তাৰ তৰংগই ধৰা দিয়া নাই কিয়? মোৰ কি হ'ব ধৰিছে, মোৰ কি হ'ব ধৰিছে?

অ, তেওঁ ক্ৰমাৎ বধিৰ হৈ যাব ধৰিছে, তেওঁ, যাক ঈশ্বৰে কৌটি-কৌটি মানুহৰ মাজৰপৰা পৃথক কৰি উলিয়াই অভিনৱ অন্তৰস্পৰ্শী সংগীত-সৃষ্টিৰ বৰ দিছে, তেওঁৰ শ্ৰৱণেন্দ্ৰিয়—বাছি-বাছি তেওঁৰেই শ্ৰৱণেন্দ্ৰিয়—বিকল হৈ যাব ধৰিছে, কাণ দুখনৰ প্ৰয়োজনীয়তা তোমাৰ-মোৰদৰে সাধাৰণ মানুহতকৈ যাৰ শত-সহস্ৰ গুণ বেছি। ঈশ্বৰৰ এইটো কি ধৰণৰ উপহাস, অদৃষ্টৰ এইটো কি ধৰণৰ নিৰ্মম ৰসিকতা?—কল্পনা কৰা তেনেহ'লে, ভিয়েনাৰ ৰাস্তাত তৰুণ সংগীতজ্ঞ, এতিয়াও ডেৰকুৰি বছৰ পূৰ্ণ হোৱা নাই (কিন্তু ইতিমধ্যেই দিশে-দিশে বিখ্যাত), অপৰিচ্ছন্ন অপৰিপাটি

পোছাক, অযত্ন-মলিন মুখ, ৰুক্ষ চুলি, লাস্যহীন গধুৰ পদক্ষেপ, দীপ্তিহীন চকুত ইতৰ সন্দেহ, কোনোবাই কিজানি তেওঁক ঠগাব খুজিছে, কোনোবাই কিজানি তেওঁক হেয়জ্ঞান কৰিছে, কোনোবাই কিজানি তেওঁক হাঁহিছে, অদমনীয় ক্ৰোধ, সামান্যতম কথাতে মানুহক কৰ্কশ গালি-গালাজ কৰিছে, সামান্যতম কথাতে খোৱাবস্তুৰেই কাঁহীখন কাৰোবাৰ গালৈ দলিয়াই দিছে—চিকিৎসকে কৈছে, নিৰল ঠাইলৈ যাওক, ভিয়েনাৰ উপকণ্ঠৰ হাইলিগেন্‌ষ্টাড্‌ট্ গাঁৱৰ নিজৰ কোঠালিত লুকাই-লুকাই তেওঁ মনৰ গোপন বেদনা কাগজৰ ওপৰত লিপিবদ্ধ কৰিছে ঃ "হে মোৰ সংগীজন, তোমালোকে যেতিয়া ভাবা মোৰ বন্ধুভাব নাই, মোক খিটখিটীয়া বা এনেকি মানুহ-বিদ্বেষী বুলি বৰ্ণনা কৰা, তোমালোকে নাজানা তোমালোকে মোৰ প্ৰতি কি অবিচাৰ কৰা। কিয়নো তোমালোকেতো নাজানা, কি গোপন কাৰণত মোক তোমালোকৰ তেনেকুৱা যেন লাগে। যদিও মোৰ প্ৰকৃতি আছিল আৱেগময় আৰু উচ্ছ্বাসপূৰ্ণ, এনেকি সমাজে দিয়া আমোদ-প্ৰমোদো আছিল মোৰ প্ৰিয়, অতি শীঘ্ৰেই মই বাধ্য হ'লোঁ নিজক আঁতৰাই নিবলৈ, নিঃসংগ জীৱন-যাপন কৰিবলৈ...মানুহক মই কোৱা অসম্ভৱ, 'জোৰে কোৱা, মই কলা'। যিটো ইন্দ্ৰিয় অইন মানুহতকৈ মোৰেই হ'ব লাগিছিল চমৎকাৰ, যিটো ইন্দ্ৰিয় মোৰেই আছিল পৰমপূৰ্ণভাৱে বিকশিত, কেনেকৈ মই স্বীকাৰ কৰিব পাৰোঁ সেই ইন্দ্ৰিয়ৰ ত্ৰুটি। কি লজ্জা, যেতিয়া মোৰ কাযতে বৈ এজনে দূৰত বাঁহী বজা শুনিছে, আৰু মই একোকে শুনা নাই। এনেবোৰ ঘটনাই মোক নৈৰাশ্যৰ চৰম প্ৰান্তলৈ লৈ আহিছে—আৰু অলপ এনেকুৱা কিবা ঘটিব লাগিছিল, মই মোৰ জীৱনটোকেই শেষ কৰি দিলোঁহেঁতেন"—হাইলিগে'নষ্টাড্‌ট্ গাঁৱৰ সংগোপন নিৰ্জনতাত নিঃসঙ্গ স্বেচ্ছানিৰ্বাসিত ৰোগজীৰ্ণ ক্ৰুদ্ধ সংগীতজ্ঞই বহি-বহি এইবোৰ লিখিলে, সম্ভ্ৰান্ত-বংশীয় শিক্ষাৰ্থী আৰু গুণমুগ্ধ ভক্ত আৰু প্ৰশংসামুখৰ সুধীবৃন্দৰ একদা-ঈপ্সিত পৰিৱেশ এতিয়া বহু দূৰত, জীৱনত আৰু তেওঁৰ পোৱাৰ আশা নাই যিবোৰ বস্তু তেওঁৰ পৰম (হয়তো চৰম) কাম্য—বন্ধুত্ব, প্ৰীতি, প্ৰেম, পৰিণয়, গৃহ-সংসাৰ—তেওঁৰ দেহ ভগ্ন আৰু অপৰিষ্কাৰ, তেওঁৰ কোঠালিত পূতিগন্ধ আৰু তেওঁৰ বিছনাত পোক, কাকো তেওঁ তেওঁৰ যত্ন ল'ব নিদিয়ে, কাকো তেওঁ বিশ্বাস নকৰে, মানুহে তেওঁক এৰাই ফুৰে, সৰু ল'ৰা-ছোৱালীয়ে তেওঁক দেখিলে ভয় পায়, আগেয়েই (পঁচিছ বছৰ বয়সতেই) তেওঁৰ বিবাহৰ প্ৰস্তাৱ প্ৰত্যাখ্যাত (তেতিয়াও তেওঁ সম্পূৰ্ণ বধিৰ হৈ যোৱা নাই), আৰু আজি তেওঁ সেইবোৰৰ কল্পনাও কৰিব নোৱাৰে, নাৰী তেওঁৰ সান্নিধ্যৰপৰা পলাই যায়...বিশ্বৰ ধ্বনিপ্ৰাচুৰ্যৰপৰা বিচ্ছিন্ন ভগ্নহৃদয় সংগীতজ্ঞ জপৰা চুলি লৈ অকলে-অকলে বনানিত ঘূৰি ফুৰিছে, ফুল ফুটিছে, চৰাইয়ে গান গাইছে, গছ-গছনি-বন-বীথিকাত মৰ্মৰ ধ্বনি, কুলুকুলু সুৰে নিজৰা বৈ গৈছে চিত্তচঞ্চল, সন্ধিয়া দূৰত গাঁৱৰ পান্থশালাত নাচৰ বাজনা বাজিছে প্ৰাণপ্ৰাচুৰ্যৰে জলমল, দলে-দলে ডেকা-গাভৰু সেইপিনে ধাবিত হৈছে—কিন্তু এইবোৰ তেওঁৰ কাণে শুনা নাই, হয়তো তেওঁৰ আত্মাই শুনিছে, তেওঁৰ সমস্ত শৰীৰ-মন সমস্ত সত্তা মোচৰ দি উঠিছে, জীৱনৰ এই যুক্তিহীন নিৰানন্দ আৰু ধৰণীৰ এই বিচিত্ৰ আনন্দধ্বনি তেওঁৰ কলমৰ মুখেৰে তেওঁৰ আঙুলি-চালনাত নৃত্য কৰি-কৰি কেতিয়াবা বা দীৰ্ঘশ্বাস এৰি কেতিয়াবা বা অসহ্য কাতৰ যন্ত্ৰণাত চিৎকাৰ কৰি, প্ৰতিবাদ কৰি, উলঙ্ঘা কৰি সৰৱ হৈ উঠিছে—

তেওঁৰ এই নিঃসঙ্গতা, তেওঁৰ মনৰ এই দৈন্য, তেওঁৰ সত্তাৰ এই অপূৰ্ণতা—ইয়াৰ উদ্দেশ্য কি আছিল? ইয়াৰ উদ্দেশ্য আছিল, জীৱনৰ কৰুণা আৰু বিষাদ, জীৱনৰ আনন্দ আৰু অভীপ্সা যেন আমি সংগীতত পাওঁ, মানৱ-জীৱনৰ অন্যায় আৰু অপূৰ্ণতাৰ প্ৰতিবাদ যেন আমি সংগীতত পাওঁ—ইয়াৰ ফল তেওঁৰ এই ইমানটা পিয়ান'-চনাটা, ইমানটা ভায়লিন-চনাটা, ইমানটা কোৱাৰ্টেট, ইত্যাদি-ইত্যাদি, আৰু আমাৰ কৃষ্টিৰ অমূল্য সম্পদ এই ন-টা চিম্ফনী, ইয়াৰ ফল আজি দুশ বছৰ পাছত তোমাৰ এই অশ্ৰুসজল চকু, তোমাৰ এই নিস্পন্দ দেহ, তোমাৰ কোঠালিৰ তৰঙ্গিত কিন্তু স্তব্ধ বিস্মিত বায়ুমণ্ডল, তোমাৰ নিজৰ ভিতৰত তুমি লীণ গৈছা—সমালোচকে কৈছে, হাইড্‌ন আৰু মৎচাৰ্টে সংগীতক যি ওখ বেদীত স্থাপন কৰি থৈ গৈছিল, তেওঁ সংগীতক তাৰপৰা নমাই আনিলে, সংগীতৰ মসৃণতা কোমলতা তেওঁ খণ্ড-বিখণ্ড কৰি তাক জীৱনৰ খহটা ৰুক্ষ কঠিনতাৰ সাঁচত গঢ় দিলে, সংগীতক তেওঁ জীৱনৰ চাকনৈয়াত নিমজ্জিত কৰি দিলে—

"তেওঁৰ কাৰণে আমাৰ হিয়া কান্দে, কিন্তু এই সংগীত আমি হেৰুৱাব নোৱাৰোঁ"—

"যুক্তিহীন নিৰানন্দ?", মই ক'লোঁ, "অকাৰণ? হয়তো সম্পূৰ্ণ যুক্তিহীন, সম্পূৰ্ণ অকাৰণ নহ'বও পাৰে। আমি শুনিছোঁ যে তেওঁ সম্ভৱতঃ ৰক্ত-চলাচলৰ দোষৰ ফলত বধিৰ হৈছিল, বা হয়তো 'চিফিলিচ্' জাতীয় যৌনৰোগৰ ফলত তেওঁ শ্ৰৱণশক্তি হেৰুৱাইছিল—অসম্ভৱ নহয়, কাৰণ তেওঁ অসতৰ্ক অবিবেচক শিল্পী মানুহ, জীৱনীশক্তি প্ৰবল, দেহৰ তাড়না প্ৰচণ্ড, উদ্দাম যৌৱন বেপৰোৱা, তেওঁৰ যৌনৰোগ হোৱা অসম্ভৱ নহয়—আৰু ওঠৰ শতিকাত তাৰ তেনেকুৱা প্ৰতিষেধৰ ব্যৱস্থাও হয়তো নাছিল। আকৌ আমি কল্পনা কৰোঁ, তেনেহ'লে, ভিয়েনাৰ ৰাস্তাত তৰুণ সংগীতজ্ঞ, এতিয়াও ত্ৰিছ বছৰ পূৰ্ণ হোৱা নাই, তেওঁ বুজি পাইছে যে উচ্চ স্বৰবোৰ তেওঁৰ কাণে সঠিকভাৱে ধৰিব নোৱৰা হৈ আহিছে, কিন্তু তেওঁ এতিয়া ভিয়েনাত, যিখন চহৰ চিকিৎসা-বিজ্ঞানৰো এটি প্ৰাণকেন্দ্ৰ (শাৰীৰিক আৰু মানসিক উভয় বিধৰেই)। কল্পনা কৰোঁ তেনেহ'লে, চিকিৎসকৰ কক্ষত বধিৰ সংগীতজ্ঞ, তেওঁৰ দুষ্ট কাণৰ ওপৰত বিখ্যাত শাৰীৰতাত্ত্বিকৰ সন্ধানী পৰকলাৰ মাজেৰে উজ্জ্বল লণ্ঠনৰ পোহৰৰশ্মি। আমি জানো, কৰ্ণেন্দ্ৰিয়টোক

চিকিৎসকসকলে তিনিটা ভাগত ভাগ কৰিছে—বহিঃকৰ্ণ, যিখিনি মূৰৰ বাহিৰত থাকে, শব্দ সংগ্ৰহ কৰি ভিতৰৰ টিম্পানিক্ মেম্ব্ৰেইন্ বা কৰ্ণপৰ্দালৈ পঠিয়াই দিয়ে, শব্দৰ ঢৌয়ে সেই পৰ্দাখনত কঁপনি তোলে; মধ্য-কৰ্ণ, এখন ঘূৰণীয়া আৰু এখন ডিম্বাকৃতি 'খিৰিকি' থকা এটা গাঁত বা বিবৰ, যাৰ ভিতৰত থকা তিনিডাল হাড়ে হাতুৰী মৰাৰদৰে লৰচৰ কৰি এই কঁপনিবোৰ প্ৰেৰণ কৰে ভিতৰৰ পিনৰ ডিম্বাকৃতি 'খিৰিকি'খনলৈ; এইখন খিৰিকিৰ পাছপিনে আছে অন্তঃকৰ্ণ বা "বেহু" বা কাণৰ ভিতৰৰ অংশটো, হাড়ৰ দেৱালেৰে আবৰা এটা বিবৰ, যাৰ ভিতৰৰ তৰল পদাৰ্থবোৰৰ মাজেদি এই কঁপনি আগবাঢ়ে, আৰু শামুকৰ দৰে কুণ্ডলীযুক্ত নলী এটাৰ তৰল পদাৰ্থত কঁপনি তোলে—এই কুণ্ডলীকেইটাৰ নাম 'কখ্লিয়া'—আৰু তাৰপৰা শ্ৰৱণ-স্নায়ুৰে বিদ্যুৎপ্ৰৱাহৰ ৰূপত মস্তিষ্কলৈ যায়, তাত সেই প্ৰবাহবোৰে আমাৰ চেতনাত শব্দৰ ৰূপ লয়। কিছুমান ক্ষুদ্ৰ-ক্ষুদ্ৰ তন্তুৱে লৰচৰ কৰি কাণৰ ভিতৰত বৈদ্যুতিক-বিভবৰ সৃষ্টি কৰে, ফলত বিদ্যুৎপ্ৰৱাহ উৎপন্ন হয়—আঃ, এই যে দেখা যায় অন্তঃকৰ্ণ, তাৰ বিবৰৰ ভিতৰত সেয়া ক্ষুদ্ৰ-ক্ষুদ্ৰ অতিৰিক্ত কেইডালমান হাড় গজিব আৰম্ভ কৰিছে, যাক কোৱা হয় 'কখ্লিয়াৰ্ অষ্টিচ্‌স্ক্লেৰচিচ্' (ostosclerosis), যাৰ ফলত কাণৰ পৰ্দাত পৰা শব্দতৰঙ্গবোৰ স্নায়ুপ্ৰৱাহত পৰিণত হোৱাত ব্যাঘাত জন্মে, যাৰ ফলত সেই প্ৰৱাহ গৈ মস্তিষ্ক নাপায়—চিন্তিত নহ'ব (চিকিৎসকে কৈছে), চিন্তিত নহ'ব, হে'ৰ্ কাপেল্‌মাইষ্টাৰ্ (বা হে'ৰ্ হফ্‌অৰ্গানিষ্ট, বা তেনেকুৱা কিবা), এই হাড়কেইডাল আঁতৰাই দিলেই সকলো ঠিক হৈ যাব, এটা সৰু অস্ত্ৰোপচাৰ কৰিলেই আকৌ স্নায়ুপ্ৰৱাহ আগৰ দৰে চলিব, একো ডাঙৰ কথা নহয়—বাৰু, আপোনাৰ কেতিয়াবা টাইফয়ড হৈছিল নেকি?—আৰু এনেকৈ, এটা সৰু সহজ অস্ত্ৰোপচাৰৰ ফলত সংগীতজ্ঞৰ শ্ৰৱণ-ক্ষমতা পুনৰ উভতি আহিল, তেওঁ শুনিলে দূৰত যেন কোনোবাই বাঁহীত দীঘল, দ টান দিছে, তেওঁৰ বুকু কঁপি উঠিল, ভয়ে-ভয়ে তেওঁ চকু মেলিলে—আৰু, আঃ কি স্বস্তি! দূৰত সঁচাকৈয়ে মুখত বাঁহীটো লগাই...ধৰণী ইমান বাংময়, বিশ্বপ্ৰকৃতি ইমান মনোৰম, মানুহ ইমান সুন্দৰ—

আমিও আশ্বস্ত হৈছোঁ, তেনেহ'লে, কাৰণ তেতিয়া তেওঁৰ মাত্ৰ সাতাইছ বছৰ বয়স, ইমান কম বয়সত ৰক্তচলাচল-জনিত ৰোগ ইমান ধ্বংসকাৰী নহয়, 'চিফিলিচ'ৰদ্বাৰা শ্ৰৱণৰ এনেকুৱা প্ৰবল ক্ষতিও সংঘটিত হ'ব নোৱাৰে—খুব সম্ভৱ তেওঁৰ টাইফয়ডেই হৈছিল, ভিয়েনাৰ অভিজ্ঞ চিকিৎসকজনে অনুমান কৰাৰদৰেই, যাৰ ফলত উদ্ভৱ হোৱা হাড়কেইডাল গুচাবলৈ লাগে মাথোঁ এটা অস্ত্ৰোপচাৰ—বা সিও যদি নহয়, ৰঞ্জনৰশ্মিৰে আৰু ভালকৈ চোৱা কি হৈছে, তন্তু যদি ছিঙিছে, কৃত্ৰিম তন্তু সংযোগ কৰি দিয়া, কাণৰ পৰ্দা যদি ফাটিছে সেইখন সলাই দিয়া, অতিশাব্দিক ঢৌৰে চিলাই কৰি দিয়া, কাণত বেটাৰিচালিত 'হিয়াৰিং-এইড' বা শ্ৰৱণ-যন্ত্ৰ এটা সুমুৱাই লোৱা, সৰব পৃথিৱী আকৌ চেতনাত ধৰা দিব, কিমান সহজ—

তৰুণ সংগীতজ্ঞ আৰু নিঃসঙ্গ নহয়, তেওঁৰ পৰিচ্ছদ চৌখিন আৰু পৰিপাটি, তেওঁৰ চকুত আগ্ৰহৰ ঔজ্জ্বল্য, তেওঁৰ আঙুলিৰ ইশাৰাত তেওঁৰ কাষলৈ আহিছে খ্যাতি, যশ, অৰ্থ, ৰাজসন্মান, আনুগত্য, বন্ধুত্ব, সুন্দৰী নাৰী, প্ৰেম, পৰিণয়, গাৰ্হস্থ্য জীৱন, ভোগ-বিলাস আৰু আমোদ-আহ্লাদ, তেওঁৰ জীৱনৰ ছন্দে-ছন্দে ঝলমল পুলক, তেওঁৰ জীৱন পূৰ্ণ, তেওঁৰ সত্তাৰ স্তৰে-স্তৰে আৰু বিষাদৰ আচ্ছাদন নাই—

আৰু এই পূৰ্ণতা, এই পৰিপূৰ্ণ পুলক—ইয়াৰ ফল কি? ইয়াৰ ফল তেওঁৰ এই ইমানটা চনাটা, এই ইমানটা চিম্ফনী—ভাল, আৰু দহজনৰ নানানটা চিম্ফনীৰদৰেই সুশ্ৰাব্য, বেছ ভাল, বেছ কুশলী, বিষাদ আৰু কৰুণা আৰু সংগ্ৰামৰ আভাসো আছে, কিন্তু কি কেইটামান সুৰ যেন নাই, কি কেইটামান ধ্বনি যেন অতিৰিক্ত আছে, আৰু মোৰ চকু আৰু তেনেকুৱা স্বতঃস্ফূৰ্তভাৱে অশ্ৰুসজল নহয়, মোৰ সত্তা আৰু তেনেকুৱা নিস্পন্দ নহয়—"

*** *** ***

সংগীতজ্ঞ বন্ধুৱে ক'লে, "এনেকুৱা ঘটিছে বুলি তো মই জনা নাছিলোঁ, তেওঁৰ শ্ৰৱণশক্তি ঘূৰাই পাইছিল বুলি তো শুনা নাছিলোঁ।"

"নাই", মই ক'লোঁ, "কিয়নো এই অস্ত্ৰোপচাৰটোৰ কথা সেই সময়ৰ চিকিৎসাবিজ্ঞানে জনা নাছিল, তেতিয়াও বেটাৰী-চালিত শ্ৰৱণ-যন্ত্ৰ ওলোৱা নাই, ৰঞ্জন-ৰশ্মি ওলোৱা নাই—আৰু তাৰ বাবে হয়তো আমি কৃতজ্ঞ—কাৰণ, তেওঁৰ কাৰণে আমাৰ হিয়া কান্দে, কিন্তু এই সংগীত কি আমি হেৰুৱাব পাৰোঁ?"